মোবাইল ফ্ৰেইগুলি
অষ্টম বৰ্ষপূৰ্তিত News Next Oneৰ বিশেষ সংযোজন অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, APRIL 04, 2024 www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৯৭ Guwahati, Assam ।। মূল্যঃ এটকা



'ইণ্ডিয়ান এক্সপ্ৰেছ'ৰ প্ৰতিবেদনক লৈ দেশজুৰি চৰ্চা

# যোৱা ১০ বছৰত দুৰ্নীতিৰ অভিযোগত অভিযুক্ত ২৫ নেতা আহিল বিজেপিলৈ

## ■ আধাতে বন্ধ হ'ল গোচৰ

**ই-সংবাদ বিশেষ, ৩ এপ্ৰিলঃ** ৰাশ্বিং মেচিনত পৰিণত হৈছে ভাৰতীয় জনতা পাৰ্টী চমুকৈ। এই ৰাশ্বিং মেচিনৰ জৰিয়তে এতিয়া বহু দাগী নেতাই নিজৰ দাগ ধুই দলটোত ডাঙৰ ডাঙৰ পদবী ল'বলৈ সমৰ্থ হৈছে। দেশৰ আগশাৰীৰ ইংৰাজী দৈনিক 'ইণ্ডিয়ান এক্সপ্ৰেছ'ৰ এক বিশেষ প্ৰতিবেদনে এতিয়া নিদ্ৰা হৰিছে নৰেন্দ্ৰ মোদী, অমিত শ্বাহ, জেপি নাড্ডা নেতৃত্বাধীন শাসকীয় ভাৰতীয় জনতা পাৰ্টীৰ। প্ৰতিবেদনখনত প্ৰকাশ পোৱা মতে ২০১৪ চনৰ পৰা ২০২৪ চনলৈকে অৰ্থাৎ যোৱা ১০ বছৰত দুৰ্নীতিগ্ৰস্ত আখ্যা পোৱা ২৫ জনকৈ নেতাৰ ২৩ জনেই বিজেপিৰ ৰাশ্বিং মেচিনত সোমাই নিজকে নিকা কৰি লৈছে। দুৰ্নীতিৰ অভিযোগত অভিযুক্ত এই নেতাসকলে বিজেপিত যোগ দিয়াৰ পিছতে তেওঁলোকৰ বিৰুদ্ধে থকা গোচৰসমূহ হয় উঠাই লোৱা হৈছে, অথবা স্থগিত ৰখা হৈছে। প্ৰতিবেদনত উল্লেখ কৰা তথ্যত দেখা গৈছে যে ৩ জন নেতাৰ বিৰুদ্ধে থকা গোচৰ সম্পূৰ্ণৰূপে উঠাই লোৱা হৈছে। বাকী ২০ জন নেতাৰ বিৰুদ্ধে থকা পূৰ্বৰ গোচৰসমূহ বিজেপিত যোগ দিয়াৰ পিছতে বিভিন্ন তদন্তকাৰী সংস্থাসমূহে স্থগিত ৰাখিছে। ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে শেষাংশ ২ পৃষ্ঠাত

## মুখ্যমন্ত্ৰীৰ মন্তব্য

# আহিলে ৰাহুল গান্ধী, কষ্ট শেষ!

**ই-সংবাদ, ৩ এপ্ৰিলঃ** আজি বৰাক উপত্যকাৰ দুয়োটা সমষ্টিৰ বিজেপি প্ৰাৰ্থীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত মনোনয়ন দাখিল কৰে। হাজাৰ হাজাৰ শেষাংশ ৩ পৃষ্ঠাত

## এৰিলে কংগ্ৰেছ

# থিতাতে লুটি-বাগৰ বক্সাৰৰ

**নতুন দিল্লী, ৩ এপ্ৰিলঃ** সমাগত লোকসভা নিৰ্বাচনৰ পূৰ্বে লুটিবাগৰ মাৰিলে আন এগৰাকী বিৰোধী নেতাই। কেন্দ্ৰৰ মোদী চৰকাৰে খেল আৰু খেলুৱৈৰ শেষাংশ ৩ পৃষ্ঠাত



টাইৱানত প্ৰলয়ংকৰী ভূমিকম্পত এনেদৰে হাউলি পৰিছে অট্টালিকা, বিতং বাতৰি শেষ পৃষ্ঠাত চাওক

প্ৰথম পৃষ্ঠাৰ পৰা...

# যোৱা ১০ বছৰত দুৰ্নীতিৰ

নিৰৱিচ্ছিন্ন যুদ্ধ অব্যাহত থাকিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পুনৰ নতুনকৈ শ্ল’গান দিবলৈ আৰম্ভ কৰাৰ সময়তে প্ৰকাশ পোৱা প্ৰতিবেদনে এতিয়া বিজেপিৰ ঘোৰ সমৰ্থকসকলকো চিন্তিত কৰি তুলিছে। উল্লেখ্য যে পূৰ্বৰে পৰা বিৰোধী দলসমূহে বিজেপিক ৱাশ্বিং মেচিন আখ্যা দি আহিছিল যদিও তেনে বাতৰিয়ে সংবাদ শিৰোনাম কমেই দখল কৰিছিল আৰু বাতৰি হিচাপে প্ৰকাশ পালেও গুৰুত্বসহকাৰে প্ৰকাশ পোৱা নাছিল। কিন্তু 'ইণ্ডিয়ান এক্সপ্ৰেছ’ৰ বুধবাৰৰ সংখ্যাত বিজেপিৰ ৱাশ্বিং মেচিনত সোমাই নিকা হৈ পৰা ২৫ জনকৈ নেতাৰ কাহিনী সবিস্তাৰে প্ৰকাশ পোৱাত ছ’চিয়েল মিডিয়াতো তোলপাৰ লাগিছে। বিজেপিলৈ আহি দুৰ্নীতিৰ দাগ আঁতৰোৱা নেতাসকলৰ ভিতৰত ১০ জন হৈছে কংগ্ৰেছৰ। তালিকাখনত কংগ্ৰেছ এৰি বিজেপিলৈ গৈ অসমৰ মুখ্যমন্ত্ৰীৰ আসনত অধিষ্ঠিত হোৱা ড০ হিমন্ত বিশ্ব শৰ্মাৰ নামো আছে। কংগ্ৰেছৰ এই নেতাসকলৰ উপৰিও এনচিপি আৰু শিৱসেনাৰ ৪ জনকৈ নেতা, তৃণমূল কংগ্ৰেছৰ ৩ জন নেতা, তেলেগু দেশম পাৰ্টিৰ ২ জন নেতা আৰু সমাজবাদী পাৰ্টী আৰু ৱাইএছআৰ কংগ্ৰেছৰ ১ জনকৈ নেতাই বিজেপিৰ ৱাশ্বিং মেচিনৰ জৰিয়তে 'অচ্ছে দিন’ৰ সোৱাদ লাভ কৰিছে। ইয়াৰে প্ৰায় ৬ জনকৈ নেতাই লোকসভা নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ প্ৰায় এসপ্তাহ পূৰ্বে পূৰ্বৰ দল এৰি বিজেপিত যোগ দিছে। ইণ্ডিয়ান এক্সপ্ৰেছৰ বাতৰিটোত প্ৰকাশ পোৱা মতে ২০১৪ চনৰ পৰা এতিয়ালৈ দেশৰ যিমান আগশাৰীৰ লোকৰ বিৰুদ্ধে ইডি অথবা চিবিআইয়ে অনুসন্ধান আৰম্ভ কৰিছে সেইসকলৰ ভিতৰত ৯৫ শতাংশই হৈছে বিৰোধী দলৰ নেতা। আনহাতে এনে অনুসন্ধান অধিক দেখা গৈছে ২০২২-২৩ চনত ৰাজনৈতিক উত্থান-পতনৰ সাক্ষী হৈ ৰোৱা মহাৰাষ্ট্ৰত। চিবিআই আৰু ইডিৰ একাধিক অভিযানৰ পিছতে উক্ত সময়ছোৱাত ৰাজ্যখনত মহাবিকাশ অঘাড়ী চৰকাৰৰ পতন ঘটাৰ লগতে শিৱসেনা আৰু এনচিপি দল দুটাত বিভাজনে দেখা দিয়ে। তাৎপৰ্যপূৰ্ণ কথা এয়ে যে এনচিপিত বিভাজন হোৱাৰ পিছতে এনডিএত চামিল হোৱা এনচিপি নেতা অজিত পাৱাৰ আৰু প্ৰফুল পেটেলৰ বিৰুদ্ধে থকা গোচৰ উঠাই লোৱা হৈছে। বিজেপিৰ ৱাশ্বিং মেচিনৰ স্পৰ্শ লাভ কৰা ২৫ জনীয়া নেতাৰ তালিকাত থকা ১২ জন নেতাই হৈছে মহাৰাষ্ট্ৰৰ। ইয়াৰে ১১ জনেই ২০২২ চনৰ ৩ জানুৱাৰীৰ পিছত বিজেপিত যোগ দিছে। মহাৰাষ্ট্ৰৰ ১২ জন নেতাৰ ভিতৰত কংগ্ৰেছ, শিৱসেনা আৰু এনচিপি এই প্ৰতিটো দলৰে ৪ জনকৈ নেতা আছে। এই সন্দৰ্ভত চিবিআই আৰু ইডিৰ শীৰ্ষ বিষয়াৰ মন্তব্যও প্ৰকাশ কৰিছে কাকতখনে। কাকতখনৰে এই সন্দৰ্ভত হোৱা বাৰ্তালাপত চিবিআইৰ শীৰ্ষ বিষয়াই কয় যে প্ৰতিটো অনুসন্ধান আৰু তদন্ত সাক্ষ্য প্ৰমাণৰ ভিত্তিত চলোৱা হয় আৰু ইয়াৰে কিছুমান বিভিন্ন কাৰণত লেহেমীয়া হৈ পৰিছে যদিও বন্ধ কৰা হোৱা নাই। একেদৰে ইডি বিষয়া এগৰাকীয়ে কয় যে আন সংস্থাসমূহৰ গোচৰৰ ভিত্তিতহে তেওঁলোকে অনুসন্ধান আৰম্ভ কৰে। 'যদিহে আন অনুসন্ধানকাৰী সংস্থাসমূহে গোচৰ বন্ধ কৰি দিয়ে তেতিয়া ইডিৰ পক্ষে সেই গোচৰ আগবঢ়াই লৈ যোৱাতো কঠিন হৈ পৰে। হ’লেও আমি তেনে বহু গোচৰত অভিযোগনামা দাখিল কৰিছো। যিবোৰ গোচৰৰ অনুসন্ধান চলি আছে তেনে গোচৰত যেতিয়াই প্ৰয়োজন হ’ব তেতিয়াই ব্যৱস্থা গ্ৰহণ কৰা হ’ব।’-এইদৰে কয় ইডিৰ বিষয়াগৰাকীয়ে। প্ৰতিবেদন প্ৰকাশ পোৱা ২৫ জনীয়া নেতাৰ তালিকাত থকা নেতাসকলৰ অন্যতম হৈছে অজিত পাৱাৰ, অশোক চৱন, হিমন্ত বিশ্ব শৰ্মা, শুভেন্দু অধিকাৰী, প্ৰতাপ শাৰণিক, হাছান মুশ্ৰিফ, ভাৱনা গাৱালি, নবীন জিন্দাল, চগন ভুজবল, চিএম ৰমেশ, তাপস ৰয়, অৰ্চনা পাটিল, দিগাম্বৰ কামাত, কে গীতা, সঞ্জয় ছেথ, বাবা ছিদ্দিক, ৰণিন্দৰ সিং, গীতা কোড়া আদি। উল্লেখ্য যে বিজেপিৰ ৱাশ্বিং মেচিনত সোমোৱা একালৰ দাগী নেতাসকলৰ ভিতৰত অসমৰ নেতা হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰীৰ দৰে আকৰ্ষণীয় পদবী লাভ কৰিবলৈ সমৰ্থ হৈছে। শৰ্মাৰ বিৰুদ্ধে ২০১৪ আৰু ২০১৫ চনত চিবিআই আৰু ইডিয়ে সাৰদা চীট ফাণ্ড কেলেংকাৰী আৰু লুইজ বাৰ্জাৰ কেলেংকাৰীত জড়িত থকাৰ অভিযোগ উত্থাপন কৰিছিল বিজেপিয়ে। শৰ্মাৰ বিৰুদ্ধে আনকি ২০১৪ চনৰ লোকসভা নিৰ্বাচনত বিজেপিয়ে সংবাদমেল পাতি পুস্তিকা প্ৰকাশ কৰি চৰকাৰ গঠনৰ পিছতেই জেললৈ পঠিওৱা হ’ব বুলিও ঘোষণা কৰিছিল। ২০১৪ চনত কেন্দ্ৰত মোদী চৰকাৰ গঠন হোৱাৰ পিছতে ড০ শৰ্মাৰ বাসগৃহ আৰু কাৰ্যালয়ত চিবিআইয়ে অভিযান চলোৱাৰ লগতে কেবাবাৰো সোধ-পোছো কৰিছিল। অৱশেষত ২০১৫ চনত শৰ্মাই বিজেপিত যোগ দিয়ে আৰু বিজেপিৰ ৱাশ্বিং মেচিনৰ জৰিয়তে নিকা হৈ বৰ্তমান অসমৰ মুখ্যমন্ত্ৰীৰ আসনত অধিষ্ঠিত হ’বলৈ সমৰ্থ হৈছে। একেদৰে অজিত পাৱাৰৰ বিৰুদ্ধে ৭০ হাজাৰ কোটি টকাৰ কেলেংকাৰীৰ অভিযোগ থকা বুলি স্বয়ং প্ৰধানমন্ত্ৰীয়ে ভাষণত দাবী কৰি আহিছিল যদিও এনডিএত চামিল হোৱাৰ পিছতে পাৱাৰক মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰীৰ আসনত অধিষ্ঠিত কৰাই বিজেপিয়ে। শেহতীয়াকৈ কয়লা কেলেংকাৰিত জড়িত থকা বুলি বিজেপিয়ে দাবী কৰি অহা কংগ্ৰেছ নেতা নবীন জিন্দালক বিজেপিত যোগ দিয়াৰ এঘণ্টা পিছতে দলটোৱে লোকসভা নিৰ্বাচনত টিকট প্ৰদান কৰা দেখা গৈছে। বিজেপিৰ ৱাশ্বিং মেচিনত সোমাই নিকা হোৱা আন এগৰাকী নেতা হৈছে অশোক চৱন। মহাৰাষ্ট্ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ বিৰুদ্ধে কেইদিনমান আগলৈকে বিজেপিয়ে দিনে-নিশাই কেলেংকাৰিত ডিঙিলৈকে পোত খাই থকা বুলি অভিযোগ কৰি আহিছিল। কিন্তু ২০২৪ত বিজেপিত যোগ দিয়াৰ লগে লগে সকলো অভিযোগ পাহৰি তেওঁক ৰাজ্যসভালৈ প্ৰেৰণ কৰে বিজেপিয়ে। একেদৰে কংগ্ৰেছ নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী প্ৰফুল পেটেলৰ ক্ষেত্ৰতো একেই পন্থা হাতত লৈছে বিজেপিয়ে। এই প্ৰতিবেদন প্ৰকাশ পোৱাৰ পিছতে অধিক আক্ৰমণাত্মক হৈ পৰিছে বিৰোধী কংগ্ৰেছ দলৰ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গে। এক টুইটত বাতৰিটো শ্বেয়াৰ কৰি খাৰ্গেই বিজেপিক 'সম্পূৰ্ণ অট’মেটিক ৱাশ্বিং মেচিন’ আখ্যা দিয়ে। এনেদৰে এতিয়া একপ্ৰকাৰ দুৰ্নীতিপৰায়ণ নেতাৰ শেষ আশ্ৰয়স্থলস্বৰূপ হৈ পৰিছে ২০১৪ত না খাউংগা, না খানে দুংগাৰ হৰ্ডিঙেৰে দেশৰ অলি-গলি ভৰাই পেলোৱা মোদী আৰু শ্বাহৰ দল বিজেপি।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# থিতাতে লুটি-বাগৰ

বাবে গ্ৰহণ কৰা হিতজনক পদক্ষেপৰ গুণ-গৰিমা গাই এইবাৰ গেৰুৱা বসন পৰিধান কৰিলে বক্সাৰ বিজেন্দৰ সিঙে। উল্লেখ্য যে, ৩৮ বৰ্ষীয় বক্সাৰগৰাকীয়ে ২০১৯ চনত কংগ্ৰেছত যোগদান কৰিছিল। এইবাৰ লোকসভা নিৰ্বাচনত তেওঁ টিকট লাভৰ আশা কৰিছিল যদিও শেষ মুহূৰ্তত সপোন সাৰ্থক নোহোৱাত আজি  দিল্লী বিধানসভাৰ বিৰোধী দলপতি তথা দক্ষিণ দিল্লীৰ দলৰ প্ৰাৰ্থী ৰামবীৰ সিং বিধুৰীৰ উপস্থিতিত বিজেপিৰ সাধাৰণ সম্পাদক বিনোদ টাউডেৰ উপস্থিতিত বিজেপিৰ সদস্যপদ গ্ৰহণ কৰে। মন কৰিবলগীয়া যে, বিজেন্দৰ সিং হাৰিয়ানা, পশ্চিম উত্তৰ প্ৰদেশ আৰু ৰাজস্থানৰ বৃহৎ সংখ্যক আসনত ৰাজনৈতিক প্ৰভাৱ থকা জাট সম্প্ৰদায়ৰ। বিজেপিত যোগদান কৰি বক্সাৰ বিজেন্দৰ সিঙে কয়, "মই বিজেপিত যোগদান কৰি অতিশয় উৎসাহিত হৈছো। মই দেশৰ উন্নয়ন আৰু প্ৰগতিৰ বাবে কাম কৰিব বিচাৰো। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত আজি দেশত খেলৰ পৰিৱেশ গঢ় লৈ উঠিছে, আজি খেলুৱৈসকলে মুক্তমনে খেলত মনোনিৱেশ কৰিবলৈ সক্ষম হৈছে।" প্ৰণিধানযোগ্য যে, বিজেন্দৰ সিঙে ২০১৯ চনৰ লোকসভা নিৰ্বাচনত দক্ষিণ দিল্লীৰ আসনৰ পৰা কংগ্ৰেছৰ টিকটত প্ৰতিদ্বন্দ্বিতা কৰিছিল যদিও পৰাজয়ৰ সন্মুখীন হ’বলগীয়া হৈছিল। ২০০৮ চনৰ বেইজিং অলিম্পিকত বক্সিঙত ব্ৰঞ্জৰ পদক বিজয়ী বিজেন্দৰ সিঙে আন বহু আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাতো তেওঁ দেশৰ হৈ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। ২০০৬ আৰু ২০১৪ চনৰ কমনৱেলথ গেমছত ৰূপৰ পদক আৰু ২০১০ চনৰ কমনৱেলথ গেমছত ব্ৰঞ্জৰ পদক লাভ কৰাৰ লগতে ২০০৯ চনৰ বিশ্ব চেম্পিয়নশ্বিপতো ব্ৰঞ্জৰ পদক লাভ কৰিছিল বিজেন্দৰ সিঙে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আহিলে ৰাহুল গান্ধী

লোকক লৈ সংৰক্ষিত শিলচৰ সমষ্টিৰ বিজেপি প্ৰাৰ্থী পৰিমল শুক্লবৈদ্য আৰু কৰিমগঞ্জ সমষ্টিৰ প্ৰাৰ্থী কৃপানাথ মল্লাই মনোনয়ন দাখিল কৰি শক্তি প্ৰদৰ্শন কৰে। বিজেপি প্ৰাৰ্থী পৰিমল শুক্লবৈদ্য আৰু কৃপানাথ মল্লাৰ জয়ী নিশ্চিত বুলি দাবী কৰিছে মুখ্যমন্ত্ৰীয়ে। শিলচৰ চহৰৰ ডিএছএৰ পৰা গীত-মাত নৃত্য কৰি বিজেপি প্ৰাৰ্থী পৰিমল শুক্লবৈদ্যই বিশাল সমদলেৰে কাছাৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হয়। লগত দেখা যায় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, সাংসদ ৰাজদ্বীপ ৰয় আৰু ভবেশ কলিতাক। তাৰ পাছতে পৰিমল শুক্লবৈদ্যই মনোনয়ন দাখিল কৰে। আনহাতে, কৰিমগঞ্জৰ প্ৰাৰ্থী কৃপানাথ মল্লাক মনোনয়ন দাখিলৰ সময়ত সংগ দিয়ে মুখ্যমন্ত্ৰী আৰু বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাই। আজি পুৱা ১১ বজাত হেলিকপ্টাৰ যোগে বৰাকৰ শিলচৰত উপস্থিত হৈছিল মুখ্যমন্ত্ৰী ডo শৰ্মা। দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ’বলগীয়া বৰাকৰ দুয়োটা সমষ্টিৰ প্ৰাৰ্থী পৰিমল শুক্লবৈদ্য আৰু কৃপানাথ মল্লাক মনোনয়ন দাখিলত সংগ দি মুখ্যমন্ত্ৰীগৰাকীয়ে শিলচৰ পুলিচ পেৰেড গ্ৰাউণ্ডত বিশাল নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে বিৰোধী কংগ্ৰেছ তথা ৰাহুল গান্ধীক তীব্ৰ আক্ৰমণ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে মই বিচাৰো ৰাহুল গান্ধী অসমলৈ আহক আৰু প্ৰচাৰ কৰক। মোৰ কষ্ট কমি যাব। ৰাহুল গান্ধী আহিলে বিজেপিক লাভান্বিত হ’ব আৰু শ-শ কংগ্ৰেছীয়ে দল ত্যাগ কৰিব। প্ৰধানমন্ত্ৰী মোদী আৰু ৰাহুল গান্ধীৰ মাজত কোনো তুলনা হয় নেকি বুলি প্ৰশ্ন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাহুল গান্ধী অসমলৈ অহাৰ পিছত আমাৰ সমগ্ৰ কাম শেষ হ’ব। সমগ্ৰ ভাৰতীয় প্ৰধানমন্ত্ৰী মোদীৰ সৈতে আছে। শিলচৰ সমষ্টিত বিজেপিৰ প্ৰাৰ্থী পৰিমল শুক্লবৈদ্য বিপুল ভোটত জয়ী হোৱাৰ লগতে নিৰ্বাচনত অভিলেখ সৃষ্টি হ’ব বুলি মন্তব্য কৰে মুখ্যমন্ত্ৰীয়ে। ভূপেন বৰাই এদিন পূৰ্বে মুখ্যমন্ত্ৰীয়ে ব্যক্তিগত আক্ৰমণ কৰা বুলি অভিযোগ আনিছিল। ভূপেন বৰাৰ এই অভিযোগৰ স্পষ্টিকৰণ দি মুখ্যমন্ত্ৰী ডo শৰ্মাই কয় যে তেওঁক টাৰ্গেট কৰা নাই, মই মুখ্যমন্ত্ৰী হোৱাৰ ৰাস্তাহে দেখুৱাইছো। বেয়াকৈ ক’লেহে টাৰ্গেট কৰা হয়। মই কাকো বেয়াকৈ কোৱা নাই। ভূপেন বৰাই নিজকে ষ্টাৰ কেম্পেইনাৰ বুলি কোৱাত মুখ্যমন্ত্ৰীয়ে কয় যে এতিয়ালৈকে ষ্টাৰ কেম্পেইনাৰ হয়, কিন্তু ভৱিষ্যৎ কোনে দেখিছে। কংগ্ৰেছৰ ডাঙৰ ডাঙৰ ষ্টাৰ কেম্পেইনাৰে বিজেপিত যোগ দিছে। আনহাতে ভূপেন বৰাই চান্দা সংগ্ৰহ কৰিছো আৰু মোক ইডি লগাই দিয়ক বুলি প্ৰত্যাহ্বান জনাইছিল বিজেপিক। ভূপেন বৰাৰ এই প্ৰত্যাহ্বানৰ উত্তৰ দি মুখ্যমন্ত্ৰীয়ে কয় যে চান্দা সংগ্ৰহ কৰাটো ভাল, নিয়মমতে কৰিব লাগিব।

# ভিভিপেট শ্লিপঃ ন্যায়ালয়ৰ জাননীক আদৰণি এজেপিৰ

**ই-সংবাদ, ৩ এপ্ৰিলঃ** ইলেক্ট্ৰনিক ভোটিং মেচিন চমুকৈ ইভিএমক কেন্দ্ৰ কৰি ১ এপ্ৰিলত উচ্চতম ন্যায়ালয়ে ভাৰতৰ নিৰ্বাচন আয়োগলৈ এক জাননী জাৰি কৰিছিল। উচ্চতম ন্যায়ালয়ে জাননী যোগে কয় যে ভোটগ্ৰহণত ব্যৱহাৰ হোৱা ইলেক্ট্ৰনিক ভোটিং মেচিনৰ সৈতে সংলগ্ন হৈ থকা সকলো VVPAT শ্লিপো গণনা কৰিব লাগে। এই প্ৰক্ৰিয়াটোক গণনা প্ৰক্ৰিয়াৰ সৈতে চামিল কৰিব লাগে। এই সন্দৰ্ভত নিৰ্বাচন আয়োগক স্থিতি স্পষ্ট কৰিবলৈ তিনি সপ্তাহৰ সময় দিছে উচ্চতম ন্যায়ালয়ে। ন্যায়ালয়ে নিৰ্বাচন আয়োগক জাননী জাৰি কৰাত অসম জাতীয় পৰিষদে বিষয়টো সন্দৰ্ভত জনমত গঠন কৰাৰ প্ৰয়োজনীয়তা আছে বুলি মন্তব্য প্ৰকাশ কৰিছে। অসম জাতীয়  পৰিষদৰ সাধাৰণ সম্পাদক জগদীশ  ভূঞা আৰু উপ-সভাপতি চন্দ্ৰকান্ত দাস আজি সংবাদমেল অনুষ্ঠিত কৰি বিষয়টোক লৈ জনমত গঠনৰ পোষকতা কৰে। অসম জাতীয় পৰিষদৰ দুই নেতাই সংবাদমেল অনুষ্ঠিত কৰি অসমৰ সংবাদ মাধ্যমত এই বাতৰিটো বৰ বেছি প্ৰচাৰ হোৱাটো পৰিলক্ষিত হোৱা নাই বুলি আক্ষেপ কৰে। কিন্তু বিষয়টো সন্দৰ্ভত জনমত গঠন কৰাৰ প্ৰয়োজনীয়তা আছে বুলিও কয়।

# ৮০ লাখ টকা চান্দা লৈছো, দম আছে যদি চিবিআই-ইডি লগাওকঃ ভূপেন বৰা





**ই-সংবাদ, ৩ এপ্ৰিলঃ** দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া দুটা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থীয়ে আজি মনোনয়ন দাখিল কৰিছে৷ কাৰ্বি আংলঙৰ ডিফু সংসদীয় সমষ্টি আৰু বৰাক উপত্যকাৰ শিলচৰ সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থীয়ে ব্যাপক শক্তি প্ৰদৰ্শন কৰি মনোনয়ন দাখিল কৰা দেখা যায়৷ জনজাতীয় সংৰক্ষিত ডিফু সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী জয়ৰাম ইংলেঙে ভূপেন বৰাৰ উপস্থিতিত মনোনয়ন দাখিল কৰে৷ বিৰোধী ঐক্য মঞ্চৰ সহযোগী দল, ডিচিচি, এএছডিচিৰ নেতা আৰু প্ৰাক্তন বিধায়ক হেমশিং টিচুকৰ উপস্থিতিত মনোনয়ন দাখিল কৰে ইংলেঙে৷ ইংলেঙৰ মনোনয়ন দাখিলৰ সময়ত পুৰণি কংগ্ৰেছীক উৎসাহি ৰূপত দেখা যায়৷ দীৰ্ঘ দিনৰ মূৰত কংগ্ৰেছৰ নেতা-কৰ্মীয়ে ঢোল-তাল-খোল বজাই দলৰ প্ৰাৰ্থীৰ হৈ মনোনয়ন দাখিল কৰিবলৈ ওলাই অহা দেখা যায়৷ প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, প্ৰাৰ্থী জয়ৰাং ইংলেঙে ডিফু সমষ্টিত কংগ্ৰেছ জয়ী হোৱাৰ দাবী কৰিছে৷ ভূপেন বৰাই কয় যে আজি ৰাইজৰ সমৰ্থন দেখি এই কথা নিশ্চিত যে বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থী জয়ৰাম ইংলেং বৃহৎ ভোটত জয় লাভ কৰিব৷ আনহাতে শিলচৰৰ কংগ্ৰেছ প্ৰাৰ্থী সূৰ্য্যকান্ত সৰকাৰে আজি মনোনয়ন দাখিল কৰে৷ বিশাল ৰেলী কৰি শক্তি প্ৰদৰ্শন কৰে সৰকাৰে৷ জনজাতীয় নৃত্য, ঢোল বজাই আৰু কংগ্ৰেছৰ নেতা-কৰ্মীয়ে নাচি-বাগি লৈ শিলচৰস্থিত জিলা আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হয়৷ দলীয় পতাকা লৈ হাজাৰ হাজাৰ লোকে কংগ্ৰেছৰ সমৰ্থনত শ্ল'গান দি শিলচৰ চহৰৰ পৰিৱেশ উত্তাল কৰি তোলে৷ প্ৰাৰ্থী সূৰ্যকান্ত সৰকাৰে শিলচৰৰ বিভিন্ন পথ পৰিভ্ৰমণ কৰি কাছাৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। জিলা কংগ্ৰেছৰ সভাপতি অভিজিৎ পাল, কাটিগৰা সমষ্টিৰ বিধায়ক খলিলুদ্দিন মজুমদাৰ, বৰখলা সমষ্টিৰ বিধায়ক মিছবাহুল ইছলাম লস্কৰ, সোনাই সমষ্টিৰ প্ৰাক্তন বিধায়ক আমিনুল ইছলাম লস্কৰ, চিকিৎসক শান্তি কুমাৰ সিং উপস্থিত থাকে। ইপিনে আজি হেলিকপ্টাৰ যোগে ডিফু আৰু শিলচৰত উপস্থিত হৈ প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা৷ ডিফু, শিলচৰলৈ হেলিকপ্টাৰ যোগে উপস্থিত হোৱাৰ পূৰ্বে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই গুৱাহাটীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণৰ লক্ষ্য কৰি লয়৷ ভূপেন বৰাই মুখ্যমন্ত্ৰীয়ে মগজু নিয়ন্ত্ৰণ কৰিব বিচৰাৰ অভিযোগ আনে। ভূপেন বৰাই সংবাদমাধ্যমক প্ৰত্যাহ্বান জনাই কয় যে তিনিদিন যদি সংবাদ মাধ্যমে মোক লগ দিয়ে তেন্তে শুই থকা সিংহ জাগি উঠিব বুলি কয়৷ দলত্যাগী কংগ্ৰেছ নেতা ৰমেন বৰঠাকুৰে দুই কোটি টকা চান্দা দিয়া প্ৰসংগক চৰ্চা হৈ থকাত আজি সাংবাদিকে প্ৰশ্ন কৰে ভূপেন বৰাক৷ ভূপেন বৰাই প্ৰত্যুত্তৰ দি যিগৰাকী সাংবাদিকে প্ৰশ্ন কৰিছিল সেইগৰাকী সাংবাদিকক উভতি ধৰি কয় যে আপোনাৰ চেনেলৰ মালিক কোন কম নেকি? টকা দিলে লম৷ মই সূৰ্যৰ পোহৰত কৈ আছো৷ মই চান্দা লৈছো। যোৱা মাহত ৮০ লাখ টকা চান্দা লৈছো। মুখ্যমন্ত্ৰীৰ দম আছে যদি চিবিআই, ইডি লগাই দিয়ক। যদি ৰমেন বৰঠাকুৰে কোৱা কথা সঁচা তেন্তে মই কোৱা কথা মিছা নেকি? আনহাতে মুখ্যমন্ত্ৰী আৰু বিজেপি দলক আক্ৰমণ কৰি ভূপেন বৰাই ছিণ্ডিকেট আৰু বিজেপিৰ কাৰ্যালয় স্থাপন কৰা মাটিৰ প্ৰসংগ টানি আনে৷ প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই অভিযোগ কৰি কয় যে কয়লা ছিণ্ডিকেটৰ টকা মুখ্যমন্ত্ৰীৰ পকেটলৈ যায়। তেওঁ আৰু কয়, 'সংবাদমাধ্যমে মোক প্ৰশ্ন কৰিবলৈ ওঁঠত ধাৰ দি আহে আৰু মুখ্যমন্ত্ৰীক প্ৰশ্ন কৰিবলৈ মুখত টেপ মাৰি যায়। এতিয়াৰ সাংবাদিকৰ কলিজা নাই মুখ্যমন্ত্ৰীক প্ৰশ্ন কৰিবলৈ। মুখ্যমন্ত্ৰীক প্ৰশ্ন কৰিলে সাংবাদিকৰ চাকৰি যাব৷'

# ৰাজীৱ ভৱনত কংগ্ৰেছৰ ‘পঞ্চ ন্যায়’ৰ গেৰাণ্টী কাৰ্ড মুকলি

**ই-সংবাদ, ৩ এপ্ৰিলঃ** আজি প্ৰথম পৰ্যায়ত নিৰ্বাচনত অনুষ্ঠিত হ’বলগীয়া ৰাজ্য অসমত ৫ গেৰাণ্টি কাৰ্ড উন্মোচন কৰে কংগ্ৰেছে। ভাৰত জোড়ো আৰু ন্যায় যাত্ৰাৰ সময়ত ৰাহুল গান্ধী আৰু কংগ্ৰেছ নেতাসকলে ব্যাপকভাৱে চৰ্চা কৰা গেৰাণ্টীক নিৰ্বাচনত ৫ গেৰাণ্টী ৰূপে লৈ আহিছে কংগ্ৰেছ দলে। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জন খাৰ্গে আৰু ৰাহুল গান্ধীৰ ফটো সংলগ্ন কাৰ্ডখনত ৫ গেৰাণ্টীৰ কথা স্কেনাৰসহ প্ৰকাশ কৰিছে। ৫ গেৰাণ্টীৰ কথা সন্নিৱিষ্ট কৰি ‘হাতে সলনি কৰিব ব্যৱস্থাৰ’ শ্লগান দি কংগ্ৰেছে কাৰ্ডখন মুকলি কৰিছে। গুৱাহাটীত প্ৰদেশ কংগ্ৰেছৰ মুখ্য কাৰ্যালয় ৰাজীৱ ভৱনত অনুষ্ঠিত সাংবাদমেল যোগে গেৰাণ্টী কাৰ্ড মুকলি কৰে। কংগ্ৰেছে চৰকাৰ গঠন কৰিব পাৰিলে প্ৰথম বছৰত প্ৰতিজন শিক্ষিত নিবনুৱাক ১ লাখ টকাকৈ মাননী দিয়াৰ ঘোষণা কৰিছে। ১ লাখ টকা সহ শিক্ষা নবিচৰ অধিকাৰ যোগে জীৱনৰ প্ৰথম চাকৰি খাটাং কৰিছে। কংগ্ৰেছে খালী হৈ থকা ৩০ লাখ পদত মকৰল, নিয়োগ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল ৰোধ কৰিবলৈ আইন আৰু নীতি প্ৰৱৰ্তন কৰাৰ লগতে অস্থায়ী আৰু দিন হাজিৰা কৰা শ্ৰমিকলৈ সামাজিক ন্যায় প্ৰদানৰ কৰাৰ গেৰাণ্টী দিয়ে। লগতে কংগ্ৰেছে ৫ হাজাৰ কোটি টকাৰ বিশেষ ষ্টাৰ্টআপ পুঁজি গঠন কৰাৰ ঘোষণা কৰে। কংগ্ৰেছে দ্বিতীয়তে নাৰী ন্যায়ৰ গেৰাণ্টী প্ৰদান কৰিছে। দুখীয়া ঘৰৰ এগৰাকী মহিলাক বছৰি ১ লাখ টকা দিয়াৰ গেৰাণ্টী প্ৰদান কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ চাকৰিত ৫০ শতাংশ মহিলাৰ বাবে সংৰক্ষণ, অংগনবাড়ী, মধ্যাহ্ন ভোজন কৰ্মচাৰীৰ অৰ্থ সাহায্য দুগুণ বৃদ্ধি কৰা। চৰকাৰী আঁচনি আৰু আইনী অধিকাৰ সম্পৰ্কে সচেতন কৰিবলৈ পঞ্চায়তে পঞ্চায়তে ‘অধিকাৰ সখী’ নিযুক্তি আৰু কৰ্মৰত মহিলাৰ বাবে আৱাস নিৰ্মাণৰ গেৰাণ্টী দিছে। তৃতীয়তে কংগ্ৰেছে কৃষক ন্যায়ৰ গেৰাণ্টী প্ৰদান কৰিছে। কৃষকক নিম্নতম উৎপাদন মূল্য




তথা এমএছপি স্বামীনাথন আয়োগৰ পৰামৰ্শৱলী মতে প্ৰদান কৰা, কৃষকক ঋণ মুক্ত কৰিবলৈ আয়োগ প্ৰৱৰ্তন কৰা, কৃষিজাত সামগ্ৰীৰ ক্ষয়-ক্ষতিৰ বিমা যোগে পাবলগীয়া ধন ৩০ দিনৰ ভিতৰত বেংক একাউণ্টত মোকলাই দিয়াৰ ব্যৱস্থা কৰা। আমদানী-ৰপ্তানী নীতি প্ৰৱৰ্তন কৰা, কৃষি ব্যৱহাৰ্য সামগ্ৰীক জিএছটি মুক্ত কৰাৰ গেৰাণ্টী দিছে কংগ্ৰেছে। চতুৰ্থ গেৰাণ্টী মতে, শ্ৰমিক ন্যায়ৰ ঘোষণা কৰিছে কংগ্ৰেছে। প্ৰতিজন শ্ৰমিকক ৪০০ টকাৰ নিম্নতম মজুৰি দিয়াৰ গেৰাণ্টী দিছে। শ্ৰমিকক স্বাস্থ্য অধিকাৰ দিবৰ বাবে ঔষধ, পৰীক্ষা, চিকিৎসা, অস্ত্ৰোপচাৰ বিনামূলীয়া কৰিবলৈ ২৫ লাখ টকাৰ ৰাজসাহায্য দিয়াৰ গেৰাণ্টী। মনৰেগাৰ দৰে নগৰীয়া এলেকাত সংস্থাপনৰ নতুন আঁচনি গ্ৰহণৰ গেৰাণ্টী। চৰকাৰী কোনো বিভাগত অস্থায়ী সংস্থাপনৰ ব্যৱস্থা নথকাৰ গেৰাণ্টী। পঞ্চম গেৰাণ্টীত অংশীদাৰিত্ব তথা জনসংখ্যা অনুযায়ী সংৰক্ষণ, বাজেটত ধন দিয়াৰ গেৰাণ্টী। জাতি-জনগোষ্ঠীৰ সংখ্যা অনুযায়ী সমতা আৰু অধিকাৰ প্ৰদানৰ লক্ষ্যৰে পৰিসংখ্যা লোকপিয়ল কৰাৰ গেৰাণ্টী। অনুসূচীত জাতি, অনুসূচীত জানজাতি, আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ৫০ শতাংশ সংৰক্ষণ ব্যৱস্থা সমাপ্ত কৰি জনসংখ্যা অনুযায়ী সংৰক্ষণ দিয়াৰ ব্যৱস্থা কৰাৰ গেৰাণ্টী। অনুসূচীত জাতি, অনুসূচীত জনজাতি, আৰু অন্যান্য পিছপৰা শ্ৰেণীক জনসংখ্যা অনুযায়ী বাজেটত ধন মুকলি কৰাৰ গেৰাণ্টী। জল-জংগল, জমিনৰ আইনী অধিকাৰক গুৰুত্ব দি বনাঞ্চলৰ পট্টাৰ বিষয়টো এটা বছৰতে নিষ্পত্তি কৰাৰ গেৰাণ্টী। জনজাতীয় লোকৰ সংখ্যা অনুযায়ী পিইএছএ আইন বলৱৎ কৰাৰ গেৰাণ্টী কংগ্ৰেছৰ। এই পাঁচটা মুঠ গেৰাণ্টী দি ৰাজীৱ ভৱনত কংগ্ৰেছৰ অসমৰ নিৰ্বাচনী পৰ্যবেক্ষক ৰাহুল বলৰ উপস্থিতিত কাৰ্ডখন উন্মোচন কৰা হয়। এই পাঁচটা গেৰাণ্টি লৈ ভোটাৰৰ কাষ চাপিব কংগ্ৰেছ দল। আজি গেৰাণ্টী কাৰ্ড মুকলি অনুষ্ঠানত উপস্থিত থাকি দেশ বিক্ৰী কৰা পাৰ্টীৰ পৰা দেশক বচাবলৈ আহ্বান জনায় কংগ্ৰেছৰ মিডিয়া বিভাগৰ উপাধ্যক্ষ বেদব্ৰত বৰাই। বেদব্ৰত বৰাই কংগ্ৰেছে জনতাক ন্যায় দিব আৰু ৫ গেৰাণ্টীৰ প্ৰতিশ্ৰুতি এশ শতাংশই পালন কৰিব বুলি দাবী কৰিছে। ন্যায় পাবৰ বাবে কংগ্ৰেছক ভোট দিবলৈ কয় বৰাই।

# নিৰ্বাচন বৰ্জন কৰাৰ ভাবুকি ক্ষুদ্ৰ চাহ খেতিয়কৰ

**ই-সংবাদ খুমটাইঃ** ক্ষুদ্ৰ চাহ খেতিয়কে আজি নিৰ্বাচন বৰ্জন কৰাৰ ভাবুকি প্ৰদান কৰিছে। দেৰগাঁৱত ক্ষুদ্ৰ চাহ খেতিয়কে সংবাদমেল অনুষ্ঠিত কৰি চাহ বাগানতে ব্যস্ত হৈ থাকিবলৈ দিয়ক, অন্যথা পৰিণাম ভয়ানক হ'ব বুলি সকীয়াই দিয়ে। ২০ লাখ মানুহৰ নিৰ্বাচন বৰ্জন কৰিব বুলিও কয় ক্ষুদ্ৰ চাহ খেতিয়কসকলে। অসম চৰকাৰ আৰু ভাৰতীয় চাহ বৰ্ডৰ এক হঠকাৰী সিদ্ধান্তই অসমৰ লাখ লাখ ক্ষুদ্ৰ চাহ খেতিয়কৰ প্ৰতি তীব্ৰ ভাবুকীৰ সৃষ্টি কৰিছে বুলি অভিযোগ ক্ষুদ্ৰ খেতিয়কসকলে। পূৰ্বৰ কোনো পৰিকল্পনা নোহোৱাকৈ হঠাৎ কৰা এনে সিদ্ধান্তই চাহ খেতিয়কসকলক বিপাঙত পেলাইছে। কলঘৰত কেঁচা চাহপাত যোগান ধৰাৰ সময়ত ৰাসায়নিক দৰৱ, সাৰ প্ৰয়োগ নকৰাৰ প্ৰমাণ পত্ৰ দিয়াৰ পাছতহে কেঁচাপাত লোৱাৰ সিদ্ধান্তৰ বিৰুদ্ধে চাহ খেতিয়কসকল গৰজি উঠিছে। আজি দেৰগাঁৱত অনুষ্ঠিত এক সংবাদ মেলৰ জৰিয়তে ক্ষুদ্ৰ চাহ খেতিয়কসকলে এনে সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰে আৰু চৰকাৰৰ এনে হঠকাৰী, অবিবেচক সিদ্ধান্তই চাহ খেতিয়কসকলক ৰাজপথলৈ ওলাই আহিবলৈ বাধ্য কৰিব বুলি উল্লেখ কৰে।

# টিহুত বিহুনাচ বিহুবাদ্যৰ কৰ্মশালা

**টিহু/বৰমা ৩ এপ্ৰিল:** ব'হাগ বিহুৰ আগমনৰ লগে লগেই ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিহু সম্পৰ্কে বিভিন্ন কৰ্মশালা অনুষ্ঠিত হৈছে। এই কৰ্মশালাসমূহৰ লক্ষ্য হৈছে উঠি অহা প্ৰজন্মক কৰ্মশালাৰ জৰিয়তে বিহুনাচ আৰু বিহুৰ বাদ্য শিকোৱা। ৰঙালী বিহুক নতুন প্ৰজন্মৰ মাজত সঠিক আৰু সুন্দৰভাৱে উপস্থাপন কৰাৰ লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি ভাৰতীয় জনতা যুৱ মৰ্চা নলবাৰী জিলাৰ উদ্যোগত অসম চেম্বাৰ অৱ কমাৰ্চ, টিহু শাখা আৰু ৰাংঢালী বিহুৱা দল টিহুৰ সহযোগত টিহু হাইস্কুল খেলপথালত বিহুনাচ আৰু বিহুৰ বাদ্যৰ কৰ্মশালা অনুষ্ঠিত হয়। আজি কৰ্মশালাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে টিহু কেন্দ্ৰীয় ৰঙালী বিহু উদযাপন সমিতিৰ সভাপতি ভাৰত তালুকদাৰে । কৰ্মশালাখন উদ্বোধন কৰি তালুকদাৰে যথেষ্ট সুখী অনুভৱ কৰা বুলি উল্লেখ কৰি বৃহত্তৰ অঞ্চলৰ উদীয়মান ল'ৰা- ছোৱালীৰে অসমীয়া জাতিৰ প্ৰাণৰ উৎসৱ বিহুৰ প্ৰতি আকৰ্ষণে ৰঙালী বিহুক জীপাল কৰি ৰাখিব বুলি মত ব্যক্ত কৰে ।

# ৬মাহৰ ভিতৰত বঙালী ডি ভোটাৰৰ সমাধানৰ প্ৰতিশ্ৰুতি মুখ্যমন্ত্ৰীৰ

## হাইলাকান্দি-কৰিমগঞ্জত এই ডাঙৰ ঘোষণা

**ই-সংবাদ, ৩এপ্ৰিলঃ** সমাগত লোকসভা নিৰ্বাচনত সন্দেহযুক্ত বঙালী ভোটাৰক প্ৰভাৱিত কৰাৰ কামত নামি পৰিছে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। নিৰ্বাচনী প্ৰচাৰৰ মাজতে এই ইংগিতেই প্ৰদান কৰিলে মুখ্যমন্ত্ৰীগৰাকীয়ে। শীঘ্ৰে বঙালী ডি ভোটাৰ সম্পৰ্কীয় সমস্যা সমাধানাৰ প্ৰতিশ্ৰুতি দি সন্দেহযুক্ত বঙালী ভোটাৰক লৈ চৰকাৰৰ স্থিতি স্পষ্ট কৰিলে মুখ্যমন্ত্ৰী শৰ্মাই। অহা ছমাহৰ ভিতৰত হাইলাকান্দি আৰু কৰিমগঞ্জত বঙালী ডি ভোটাৰ সম্পৰ্কীয় সমস্যা সমাধানৰ প্ৰতিশ্ৰুতি প্ৰদান কৰি শৰ্মাই কয় যে এই সম্পৰ্কে দিল্লীত প্ৰয়োজনীয় সকলো আনুষ্ঠানিকতা সম্পূৰ্ণ হৈছে। এক নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণৰ সময়ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, "দিল্লীত যি আনুষ্ঠানিকতা কৰিব লাগিছিল সেয়া সম্পূৰ্ণ হৈছে। আজি মই হাইলাকান্দি আৰু কৰিমগঞ্জৰ ৰাইজক জনাব বিচাৰিছো আৰু অহা ৬ মাহৰ ভিতৰত বঙালী ডি ভোটাৰৰ সৈতে জড়িত সকলো সমস্যাৰ অন্ত পৰিব বুলি আশ্বাস দিছো।" ইয়াৰ পূৰ্বে যোৱা ফেব্ৰুৱাৰী মাহত ৰাজ্যত ১.৫৯ লাখতকৈ অধিক লোকক 'বিদেশী' হিচাপে ঘোষণা কৰা হৈছে বুলি মন্তব্য কৰিছিল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। সেই সময়ত তেওঁ লগতে জানিবলৈ দিয়া মতে, ৯৬ হাজাৰ ভোটাৰক 'সন্দেহযুক্ত' (ডি) ভোটাৰ হিচাপে চিহ্নিত কৰা হৈছে। শৰ্মাই কয় যে ৰাজ্যৰ ডি ভোটাৰৰ নাগৰিকত্বৰ বিষয়টোক লৈ ১০০টা বিদেশী ন্যায়াধিকৰণ (এফ টি) বৰ্তমান ৰাজ্যত কাৰ্যক্ষম হৈ আছে। বিধানসভাত বিৰোধী এ আই ইউ ডি এফৰ বিধায়ক আমিনুল ইছলামৰ এক প্ৰশ্নৰ উত্তৰত এই তথ্য প্ৰদান কৰিছিল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই।




**বিশাল জনসমুদ্ৰৰ মাজেৰে গৈ মনোনয়ন দাখিল ৰাহুল গান্ধীৰ, ফটো বুধবাৰৰ**

# সন্দেহজনক লেনদেনক লৈ মৰিগাঁৱত ২৪ ঘণ্টাই সক্ৰিয় আয়কৰ বিভাগ

**ই-সংবাদ, মৈৰাবাৰী ৩ এপ্ৰিলঃ** মৰিগাঁও নিৰ্বাচন জিলাত লোকসভা নিৰ্বাচনৰ সময়ছোৱাত ভোটদাতাক ধন দি প্ৰলোভিত কৰাৰ আশংকা থকা কোনো সন্দেহজনক লেনদেন, নগদ ধন বা সামগ্ৰীৰ অভিযোগ দাখিলৰ বাবে ২৪ ঘণ্টাই সক্ৰিয় হৈ আছে আয়কৰ বিভাগৰ নিয়ন্ত্ৰণ কক্ষ। এনে অভিযোগ থাকিলে যিকোনো লোকেই আয়কৰ বিভাগৰ ক্ষীপ্ৰ সঁহাৰি দলক যোগাযোগ কৰিব পাৰিব। মৰিগাঁও নিৰ্বাচন জিলাত এই ক্ষীপ্ৰ সঁহাৰি দলৰ জিলা নডেল বিষয়াৰ যোগাযোগৰ নম্বৰটো হ'ল ৯৪০১৯১৫৫৯। আনহাতে অভিযোগ দাখিলৰ টোল ফ্ৰী নম্বৰটো হ'ল ১৮০০৩৪৫৩৫৯৬ আৰু ৰাজ্যিক পৰ্যায়ৰ হোৱাটছএপ নম্বৰটো হ'ল ৯৫৩১৪৬০৩৭৩। অভিযোগকাৰীসকলে assamls@gmail.com ত ই-মেইলযোগেও অভিযোগ দাখিল কৰিব পাৰিব।

## ওদালগুৰিত বিপিএফ-কংগ্ৰেছ দলৰ শক্তি প্ৰদৰ্শন

# দৰং-ওদালগুৰি সমষ্টিৰ দুই হেভীৱেট প্ৰাৰ্থীৰ মনোনয়ন দাখিল

**ই-সংবাদ, ওদালগুৰি, ৩ এপ্ৰিলঃ** কাইলৈ দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ অন্তিমটো দিন। ইয়াৰ প্ৰাকমুহূৰ্তত আজি দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ বাবে দুজনকৈ হেভিৱেট প্ৰাৰ্থীয়ে দাখিল কৰে মনোনয়ন। সমষ্টিটোৰ বাবে বিপিএফ দলৰ হৈ দুৰ্গাদাস বড়োৱে মনোনয়ন দাখিলৰ বিপৰীতে কংগ্ৰেছ দলৰ হৈ মাধৱ ৰাজবংশীয়ে দাখিল কৰে মনোনয়ণ। এই উপলক্ষে আজি পুৱাৰ ভাগত ওদালগুৰি বিষ্ণুৰাভা কৃষ্টি সংঘ প্ৰাঙ্গণৰ পৰা বিপিএফ দলে উলিয়াই এক বিশাল সমদল। সমদলত বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰীৰ, প্ৰাক্তন মন্ত্ৰী ৰিহন দৈমাৰী, বিপিএফৰ বিধায়ক চৰণ বড়োৰ লগতে দলগাওঁ বিধানসভা সমষ্টিৰ এআইইউডিএফ দলৰ বিধায়ক মজিবুৰ ৰহমানৰ লগতে কেইৰাগৰাকীও প্ৰাক্তন ইএম তথা এমচিএলএয়ে অংশ লয়। সমদলৰ পূৰ্বে সংঘ প্ৰাঙ্গণত অনুষ্ঠিত এক সভাত দলীয় নেতৃত্বই এইবাৰ সমষ্টিটোত বিপিএফৰ প্ৰাৰ্থীগৰাকী জয়ী হব বুলি দাবী কৰে। ইয়াৰ পাছত সমদলটোৱে ওদালগুৰি জিলা আয়ুক্ত কাৰ্যালয়লৈ আগবাঢ়ে। খোলা বাহনত প্ৰাৰ্থী সহ বিপিএফৰ নেতাসকল উঠি উক্ত সমদলত অংশ লয়। মনোনয়ন দাখিলৰ পথত সাংবাদিকৰে হোৱা সাক্ষাৎকাৰত বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে কয়, "দুই লাখতকৈ অধিক ভোটৰ ব্যৱধানত বিপিএফৰ প্ৰাৰ্থী জয়ী হ'ব। ইয়াত বিজেপি বা কংগ্ৰেছ কোনো আমাৰ কাৰণে ফেক্টৰ নহয়। কংগ্ৰেছে ওপৰে ওপৰে কৈ আছে সংখ্যালঘু ভোটাৰ তেওঁলোকৰ লগত থকা বুলি। কিন্তু তৃণমূল পৰ্যায়ত সংখ্যালঘু ভোটাৰে আমাকহে ভোট দিব। গতিকে আমাৰ দলীয় প্ৰাৰ্থী দুৰ্গাদাস বড়োৰ জয় নিশ্চিত। আমি অসমৰ পাঁচটা সমষ্টিত নিৰ্বাচন খেলিম আৰু ইয়াৰে চাৰিটা সমষ্টিতে জয়ী হম। কালি আমি বৰপেটা লোকসভা সমষ্টিৰ বিপিএফ দলৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰিম।" ইফালে সমষ্টিটোৰ বিপিএফ দলৰ প্ৰাৰ্থী দুৰ্গাদাস বড়োৱে কয়, "কংগ্ৰেছক এসময়ত আমি বিপিএফ হিচাপে সমৰ্থন দিলো যদিও নিজিকিলে। এইবাৰ তেওঁলোকে কি দাবী কৰি আছে নাজানো। তেওঁলোকে এইবাৰ অকলেই নিৰ্বাচন খেলিছে। মই কংগ্ৰেছৰ নিষ্ঠাবান কৰ্মীসকলক অনুৰোধ জনাম যে তেওঁলোকে যাতে এইবাৰ বিপিএফক ভোট দিয়ে। অন্যথা তেওঁলোকৰ ২০ বছৰৰ ত্যাগ অথলে যাব।" উল্লেখ্য যে এইবেলি দৰং-ওদালগুৰি লোকসভা সমষ্টিত বিপিএফ দলৰ প্ৰাৰ্থীগৰাকীক মুকলি সমৰ্থন আগবঢ়াইছে এআইইউডিএফৰ দলগাওঁ সমষ্টিৰ বিধায়ক মজিবুৰ ৰহমানে। সেয়েহে প্ৰাৰ্থীগৰাকীৰ মনোনয়ণ দাখিল পৰ্বত উপস্থিত থাকি তেওঁ কয়, "আমি সংখ্যালঘু ভোটাৰে ২০-৩০ বছৰ ভোট দিও বিজেপিক হটাব পৰা নাই। এইবাৰ বিপিএফ দলে দৰং-ওদালগুৰি সমষ্টিৰ পৰা বিজেপিক আঁতৰাব। সেয়েহে এইবাৰ সংখ্যালঘু ভোটাৰে বিপিএফ দলক ভোট দিব। মই বিধায়ক হিচাপে বিপিএফৰ লগত আছো, দলগাওঁৰ ৰাইজ বিপিএফৰ লগত আছে। এইবাৰ কংগ্ৰেছে ৩০-৩২ হাজাৰতকৈ বেছি ভোট নাপায়।" আজিৰ বিপিএফ দলৰ মনোনয়ণ দাখিল কাৰ্যসূচীত কেইৰা সহস্ৰাধিক সমৰ্থকে অংশগ্ৰহণ কৰে। একেদিনাই সমষ্টিটোৰ বাবে মনোনয়ণ পত্ৰ দাখিল কৰে কংগ্ৰেছৰ প্ৰাৰ্থী মাধৱ ৰাজবংশীয়ে। কেইৰা সহস্ৰাধিক সমৰ্থকক লগত লৈ প্ৰাৰ্থীগৰাকীয়ে জিলা আয়ুক্ত কাৰ্যালয়ৰ খেলপথাৰত প্ৰৱেশ কৰে। ৰাজবংশীয়ে মনোনয়ণ দাখিলৰ পূৰ্বে সংবাদ মাধ্যমৰ সন্মুখত মন্তব্য কৰি কয়, "ভোট হোৱাই নাই। গতিকে কিমান ভোটৰ ব্যৱধানত জয়ী হম সেয়া কব পৰাটো টান। মনোনয়ন দাখিল কৰিম বুলি ৰাইজক মাত্ৰ এটা মেছেজহে দিছিলো। সকলোৱে মোৰ সমৰ্থনত ওলাই আহিল। মোৰ লগত আহিছে প্ৰায় দহ হাজাৰ সমৰ্থক। লগত আহিছে প্ৰায় ৩৫০ খনকৈ গাড়ী। আজিৰ তাৰিখত দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ ভোটৰ বিন্যাস আৰু ৰাইজৰ উল্লাসৰ প্ৰতি লক্ষ্য ৰাখি বহু ভোটৰ ব্যৱধানত মই জয়ী হম। ৰাইজে বিৱেচনা কৰিব যে কাক ভোট দিলে ভাল হয়। যোৱা ২০ বছৰ শাসনত থাকি বিজেপিয়ে একো কাম নকৰিলে। তাৰ বাবে আজি ৰাইজে মোক সমৰ্থন দিছে। তেওঁলোকে বেংকৰ পৰা টকা ধাৰ কৰি আনি হিতাধিকাৰীক বিলাইছে। যিমানেই হিতাধিকাৰী সৃষ্টি হব, সিমানেই দেশখন বিক্ৰী কৰা হব। ঔষধৰ দাম বৃদ্ধি কৰি ৰাইজক মৃত্যুৰ মুখলৈ ঠেলি দিবলৈ ওলাইছে। এই বিজেপি চৰকাৰ যদি পুনৰ ৫ বছৰ থাকে, তেন্তে ভাৰতবৰ্ষত মানুহ মৰি শেষ হব। কৃষক, দুখীয়া, বেপাৰীৰ মৃত্যু হ'ব। বিজেপিয়ে গণতন্ত্ৰ ধ্বংস কৰি ৰাজতন্ত্ৰ চলাবলৈ ওলাইছে, স্বৈৰাতন্ত্ৰ চলাইছে। মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছৰ পৰা তালাক খাই বিজেপিলৈ গৈছে। ব্যক্তিগত সম্পৰ্ক থাকিব পাৰে কিন্তু বিজেপিৰ মুখ্যমন্ত্ৰী হিচাপে তেওঁৰ ভুলবোৰ সমালোচনা কৰিমেই।" মিঞাঁৰ ভোট নালাগে বুলি কৈ থকা মুখ্যমন্ত্ৰীয়ে এতিয়া মুছলমান অঞ্চলত ভোট ভিক্ষা কৰি থকা বুলিও ৰাজবংশীয়ে প্ৰকাশ কৰে। ৰাজবংশীক এই যাত্ৰাত সংগ দিয়ে সৰুক্ষেত্ৰীৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰ, দলগাওৰ প্ৰাক্তন বিধায়ক ইলিয়াচ আলী, প্ৰানজিৎ চৌধৰীৰ লগতে কেবাজনো দলীয় নেতাই। ইপিনে কোকৰাঝাৰ সমষ্টিৰ সাংসদ নব শৰণীয়াৰ উপস্হিতিত গণ সুৰক্ষা পাৰ্টিৰ হৈ স্বৰ্ণা দেৱীয়েও দলীয় মনোনয়ন পত্ৰ দাখিল কৰে। সাংসদ নৱ শৰনীয়াই কোকৰাঝাৰ সমষ্টিত এইবাৰো বিপিএফ আৰু ইউপিপিএলৰ যুজৰ মাজেৰে বিজয় সাব্যস্ত কৰিব বুলি উল্লেখ কৰে।

## জনমত গঠনৰ পোষকতা জাতীয় পৰিষদৰ নেতৃত্বৰ

# ভিভিপেড শ্লিপ গণনা কৰিবলৈ দিয়া ন্যায়ালয়ৰ জাননীক আদৰণি এজেপিৰ

**ই-সংবাদ, ৩এপ্রিলঃ** ইলেক্ট্ৰনিক ভোটিং মেচিন চমুকৈ ইভিএমক কেন্দ্ৰ কৰি ১ এপ্ৰিলত উচ্চতম ন্যায়ালয়ে ভাৰতৰ নিৰ্বাচন আয়োগলৈ এক জাননী জাৰি কৰিছিল। উচ্চতম ন্যায়ালয়ে জাননী যোগে কয় যে ভোটগ্ৰহণত ব্যৱহাৰ হোৱা ইলেক্ট্ৰনিক ভোটিং মেচিনৰ সৈতে সংলগ্ন হৈ থকা সকলো VVPAT শ্লিপো গণনা কৰিব লাগে। এই প্ৰক্ৰিটোক ভোট গণনা প্ৰক্ৰিয়াৰ সৈতে চামিল কৰিব লাগে। এই সন্দৰ্ভত নিৰ্বাচন আয়োগক স্থিতি স্পষ্ট কৰিবলৈ তিনি সপ্তাহৰ সময় দিছে উচ্চতম ন্যায়ালয়ে। উচ্চতম ন্যায়ালয়ে নিৰ্বাচন আয়োগক জাননী জাৰি কৰাত অসম জাতীয় পৰিষদে বিষয়টো সন্দৰ্ভত জনমত গঠন কৰাৰ প্ৰয়োজনীয়তা আছে বুলি মন্তব্য প্ৰকাশ কৰিছে। অসম জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক জগদীশ ভুঞা আৰু উপ-সভাপতি চন্দ্ৰকান্ত দাস আজি সংবাদমেল অনুষ্ঠিত কৰি বিষয়টোক লৈ জনমত গঠনৰ পোষকতা কৰে। অসম জাতীয় পৰিষদৰ দুই নেতাই সংবাদমেল অনুষ্ঠিত কৰি অসমৰ সংবাদ মাধ্যমত এই বাতৰিটো বৰ বেছি প্ৰচাৰ হোৱাটো পৰিলক্ষিত হোৱা নাই বুলি আক্ষেপ কৰে। কিন্তু বিষয়টো সন্দৰ্ভত জনমত গঠন কৰাৰ প্ৰয়োজনীয়তা আছে বুলিও কয়। অসম জাতীয় পৰিষদে ইভিএমৰ ইতিহাস বৰ্ণনা দি কয়ে যে ভাৰতত ইভিএম সৰ্বপ্ৰথম ১৯৮২ চনৰ নিৰ্বাচনত পৰীক্ষামূলকভাৱে ব্যৱহাৰ কৰা হৈছিল যদিও ২০০৪ চনৰ নিৰ্বাচনৰ পৰা সম্পুৰ্ণৰূপে ইভিএমৰ দ্বাৰা ভোট সংগ্ৰহৰ ব্যৱস্থা সাৰ্বজনীন কৰা হয়।

ইভিএমৰ নিৰ্ভৰযোগ্যতা বা বিশ্বাসযোগ্যতাৰ ওপৰত বিভিন্ন পক্ষইপ্ৰশ্ন উত্থাপন কৰি আহিছিল। আনকি শাসনাধিষ্ঠিত ভাৰতীয় জনতা পাৰ্টীয়ে আৰম্ভণিৰে পৰা ইভিএমৰ ওপৰত প্ৰশ্ন উত্থাপন কৰি আহিছিল। ২০০৯ চনৰ লোকসভা নিৰ্বাচনত পৰাস্ত হোৱাত বিজেপি দলৰ তেতিয়াৰ সভাপতি তথা বৰ্তমানৰকেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, উপ-প্ৰধান লালকৃষ্ণ আদৱানীয়ে ইভিএমৰ মুকলি বিৰোধিতা কৰিছিল। আদৱানীয়ে ২০০৯ চনৰ ৬ আগষ্ট তাৰিখে সংসদৰ বাহিৰত কৈছিল ইভিএমৰ ওপৰত মোৰ সম্পূৰ্ণ সন্দেহ আছে। মই আচৰিত হৈছো যে উচ্চতম ন্যায়ালয়ে নিৰ্দেশ-ৰায় দিয়া স্বত্বেও ভিভিপেড কিয় ব্যৱহাৰ কৰা হোৱা নাই। বিজেপিৰ দুই নেতাই ইভিএমক দিয়া প্ৰতিক্ৰিয়াৰ কথা উল্লেখ কৰি জাতীয় পৰিষদে কয় যে এনে সন্দেহ বিভিন্ন ব্যক্তি আৰু প্ৰতিষ্ঠানে বিভিন্ন সময়ত উত্থাপন কৰি আহিছে। উচ্চতম ন্যায়ালয়কে ধৰি দেশৰ বিভিন্ন আদালতত বহুকেইটা গোচৰ দাখিল হৈছে আৰু বহু গোচৰ এতিয়াও চলি আছে। অৱশ্যে নিৰ্বাচন আয়গে ইভিএমৰ ওপৰত উত্থাপিত সন্দেহক নস্যাৎ কৰি আহিছে। এডিআৰ নামৰ এটা সংস্থাই ২০২১ চনৰ ১৬ মে'ত উচ্চতম ন্যায়ালয়ত ইভিএমৰ নিৰ্ভৰযোগ্যতাৰ ওপৰত সন্দেহ কৰি এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰে। এডিআৰে হৈছে সেইটো সংস্থা যাৰ আৱেদন-গোচৰৰ ভিত্তিত ইলেক্টৰেল বণ্ড কেলেংকাৰীৰ বিষয়টো আদালতত উন্মোচিত হৈছিল। সংস্থাটোৱে তেওঁলোকৰ পিআইএলত মূলতঃ চাৰিটা কথাত আপত্তি দৰ্শাই সেইখিনি সলনি কৰিবলৈ আৱেদন জনায়। বৰ্তমানে সকলো ইভিএমতে ভিভিপেড সংযোজিত হৈ থাকে যদিও তাৰমাত্ৰ 'ৰেণ্ডমলি' বাচনি কৰা ৫ শতাংশ ভিভিপেড শ্লিপ গণনা কৰা হয়। এই ব্যৱস্থা বিলুপ্ত কৰি সকলো ইভিএমৰ সকলো VVPAT শ্লিপ গণনা কৰিব লাগে। VVPAT শ্লিপ গণনা কৰাৰ ক্ষেত্ৰত আনুক্ৰমিক ব্যৱস্থাৰ বিলুপ্তি যাতে এই ব্যৱস্থাৰ ফলত গণনাত অধিক সময় খৰচ নহয়। VVPAT শ্লিপখন আপোনা আপুনি বাকচত সোমোৱাৰ সলনি ভোটাৰে সেয়া নিজে VVPAT-ৰ পৰা সংগ্ৰহ কৰিব, তেওঁ ভোট দিয়া প্ৰাৰ্থীৰ পক্ষত পৰিছে নে নাই সেয়া নিশ্চিত কৰিব আৰু নিজে বাকচত শ্লিপখন ভৰাব। ভোটদান হোৱা ঠাইত পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা থাকিব লাগিব যাতে ভোটাৰজনে EVM-টো আৰু VVPAT শ্লিপখন ভালকৈ দেখা পাই ভোট দিয়া প্ৰাৰ্থীৰ নাম, চিহ্ন, শ্লিপত মুদ্ৰন হোৱা চিহ্ন নিশ্চিত কৰিব পাৰে। ইডিআৰৰ আৱেদনৰ শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ বি আৰ গাভাই আৰু সন্দীপ মেহতাৰ খণ্ড বিচাৰপীঠে ভাৰতৰ নিৰ্বাচন আয়োগলৈ জাননী জাৰি কৰিছে। অসম জাতীয় পৰিষদ আৰু কয় যে ইভিএমৰ নিৰ্ভৰযোগ্যতাক কেন্দ্ৰ কৰি ইমান দিনে যিসমূহ প্ৰশ্ন আৰু সন্দেহৰ উদ্ৰেক হৈ আহিছিল, উচ্চতম ন্যায়ালয়ৰ এই নিৰ্দেশনাই সেইসমূহক প্ৰকাৰান্তৰে বৈধতা প্ৰেৰণ কৰিলে। উচ্চতম ন্যায়ালয়ৰ পদক্ষেপক আদৰণি জনাই চলিত লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰে পৰা এই ব্যৱস্থা কাৰ্য্যকৰী কৰিবলৈ দাবী উত্থাপন কৰে দলটোৱে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

## যোৰহাটত মন্ত্ৰী পীয়ুষ হাজৰিকাৰ সদম্ভ ঘোষণা

# সকলোৱে নৰেন্দ্ৰ মোডীক তৃতীয়বাৰৰ কাৰণে প্ৰধানমন্ত্ৰী পাতিবলৈ সাজু

**ই-সংবাদ, ৩এপ্ৰিলঃ** অসমত লোকসভাৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচন অহা ১৯ এপ্ৰিলত অনুষ্ঠিত হ'ব। আমি সকলোৱে ইতিমধ্যে ভোট দিবলৈকে সাজু হৈছো। সকলোৱে নৰেন্দ্ৰ মোদীক তৃতীয়বাৰৰ কাৰণে প্ৰধানমন্ত্ৰী পাতিবলৈ সাজু হৈছে, কিয়নো নৰেন্দ্ৰ মোদী ডাঙৰীয়াই ৰাইজৰ কাম কৰিছে- বুধবাৰে সোণাৰিত এইদৰে মন্তব্য কৰে মন্ত্ৰী পীযুষ হাজৰীকাই। লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে নিৰ্বাচনী প্ৰচাৰ অভিযান তুংগত কৰি তুলিছে শাসকীয় দল বিজেপিয়ে। জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকাই যোৰহাট লোকসভা সমষ্টিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ ধাৰবাহিকভাৱে নাজিৰাত ইখনৰ পিছত সিখন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি প্ৰচাৰ চলোৱাৰ পাছত আজি সোণাৰি বিধানসভা সমষ্টিতো কেবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সোণাৰিৰ নাফুক পূজা গৃহত অনুষ্ঠিত প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে আজি অসমত প্ৰায় প্ৰত্যকৰে ৰেচন কাৰ্ড আছে, এই ৰেচন কাৰ্ড দিছে মোদী ডাঙৰীয়াই। মন্ত্ৰীগৰাকীয় এই ৰেচন কাৰ্ড থাকিলে কি কি সুবিধা লাভ কৰে সেই বিষয়ে সভাত বৰ্ণনা কৰে। তেওঁ কয় যে ৰেচন কাৰ্ড থাকিলে বিনামূলীয়া চাউল পায়, আয়ুষ্মান কাৰ্ড পায়, উজলা আঁচনিৰ গেছ পায়। এই আয়ুষ্মান কাৰ্ডৰ জৰিয়তে ৫ লাখ টকালৈকে বিনামূলীয়া চিকিৎসাৰ সুবিধা লাভ কৰে। অসমৰ ৫২ লাখ পৰিয়ালে ৰেচন কাৰ্ড লাভ লাভ কৰাৰ কথা উল্লেখ কৰি তেওঁ কয় যে কংগ্ৰেছৰ দিনত এইবোৰ একো নাছিল। কংগ্ৰেছৰ দিনত কেৱল সূতা-কম্বল আৰু আঁঠুৱা লাভ কৰিছিল মানুহে। সূতা-কম্বল পাৰ্টিয়ে কেৱল ইমানখিনিয়ে দিব পাৰিছিল। মন্ত্ৰীগৰাকীয়ে উপস্থিত ৰাইজক সূতা-কম্বল লাগিব নে আয়ুষ্মান কাৰ্ড লাগিব বুলি প্ৰশ্ন কৰে আৰু উপস্থিত ৰাইজে একেষাৰে আয়ুষ্মান কাৰ্ড লাগিব বুলি উত্তৰ দিয়ে। তেওঁ স্কুলীয়া ছোৱালীসকলক চাইকেল কিয় দিয়া হয়, সেই বিষয়েও সভাত ব্যাখা দাঙি ধৰে। তেওঁ কয় যে হাইস্কুলসমূহ যিহেতু ঘৰৰ পৰা ৩-৪ কিলোমিটাৰ দূৰত থাকে, যাৰ বাবে ছোৱালীসকলে স্কুললৈ যোৱাত অসুবিধাত পৰে। ছোৱালীসকলে যাতে সেই অসুবিধাৰ বাবে আধাতে স্কুল এৰি নিদিয়ে, তাৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ছোৱালীসকলক চাইকেল দিয়াৰ ব্যৱস্থা কৰে বুলি তেওঁ ভাষণত উল্লেখ কৰে।

# বিশিষ্ট শিক্ষাবিদ, চিন্তাবিদ অৰ্ৱনী বৰঠাকুৰৰ পূৰ্ণাংগ প্ৰতিমূৰ্তি উন্মোচন

**ই-সংবাদ, ৩ এপ্ৰিলঃ** যোগ্যজনক সন্মান দিব জানে অসমীয়া মানুহে৷ সীমামূৰীয়া জিলা শিৱসাগৰত বিদ্যালয় স্থাপন কৰি শিক্ষাৰ পোহৰ বিলোৱা অৰ্ৱণী বৰঠাকুৰক আজি সন্মান যাচে শিৱসাগৰ জিলাৰ নাজিৰাবাসীয়ে৷ কেতিয়াও ব্যক্তিগত প্ৰাপ্তিৰ কথা নভবা বিদ্যালয়, মহাবিদ্যালয় প্ৰতিষ্ঠা, লাইব্ৰেৰী, যুৱক সংঘ স্থাপন কৰা অৰ্ৱণী বৰঠাকুৰক আজি আকৌ নাজিৰাৰ সমাজখনে স্বীকৃতি প্ৰদান কৰিলে৷ নাজিৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক তথা শিক্ষাবিদ অৰ্ৱণী বৰঠাকুৰৰ পূৰ্ণাংগ প্ৰতিমূৰ্তি স্থাপন কৰি আজি উন্মোচন কৰে নাজিৰাবাসীয়ে৷ নাজিৰা মহাবিদ্যালয়ৰ প্ৰাংগনত মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক বিশিষ্ট শিক্ষাবিদ, চিন্তাবিদ, সমাজসেৱক অৰ্ৱণী বৰঠাকুৰৰ পূৰ্ণাংগ প্ৰতিমূৰ্তি উন্মোচন কৰে বিশিষ্ট সাহিত্যিক হৰেকৃষ্ণ ডেকা আৰু জ্যেষ্ঠ সাংবাদিক তথা লেখক হাইদৰ হুছেইনে। নাজিৰাবাসী ৰাইজৰ ব্যতিক্ৰমীপদক্ষেপৰ শলাগ লৈছে বিভিন্নজনে। নাজিৰা মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী গোটৰ উদ্যোগত আৰু নাজিৰাবাসী ৰাইজৰ সহযোগত নাজিৰা মহাবিদ্যালয় প্ৰাংগনত অৰনী বৰঠাকুৰৰ এক আৱক্ষ মূৰ্তি স্থাপন কৰা হয়৷ আজি মূৰ্তিটো উন্মোচন কৰে প্ৰসিদ্ধ সাহিত্যিক হৰেকৃষ্ণ ডেকা আৰু হাইদৰ হুছেইে। অৰ্ৱণী বৰঠাকুৰৰ জীৱিত কালতে নাজিৰাৰ ৰাইজে যি সন্মান যাচিলে তাৰ বাবে কৃতজ্ঞতা যাচে পুত্ৰ তথা  ৰাজ্যৰ বিশিষ্ট অধিবক্তা শান্তনু বৰঠাকুৰে৷



# লুৰীণজ্যোতিৰ ঘনিষ্ঠ চিত্তৰঞ্জনৰ সোণোৱালৰ সৈতে ফটো ভাইৰেল



**ই-সংবাদ, ৩ এপ্রিলঃ** ডিব্ৰুগড় সমষ্টিত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈ আৰু বিজেপিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালৰ নিৰ্বাচনী যুঁজখন ক্ৰমে আকৰ্ষনীয় হৈ পৰিছে৷ লুৰীণজ্যোতি গগৈয়ে সৰ্বানন্দ সোণোৱালৰ সন্মুখত তীব্ৰ প্ৰত্যাহ্বান সৃষ্টি কৰাৰ সময়তে লুৰীণজ্যোতি গগৈৰ ঘনিষ্ঠৰ এখন ফটো সামাজিক মাধ্যমত ভাইৰেল হৈছে৷ লুৰীণজ্যোতি গগৈৰ অতি ঘনিষ্ঠ চিত্তৰঞ্জন বসুমতাৰীৰ ফটো ভাইৰেল হৈছে৷ ফটোখনত চিত্তৰঞ্জন বসুমতাৰীৰ সৈতে দেখা গৈছে বিজেপিৰ ডিব্ৰুগড়ৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালৰ সৈতে৷ সৰ্বানন্দ সোণোৱাল হৈছে অসম জাতীয় পৰিষদ দলৰ একমাত্ৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈৰ মুখ্য প্ৰতিদ্বন্দ্বি৷ সৰ্বানন্দ সোণোৱাল আৰু লুৰীণজ্যোতি গগৈয়ে ইজনে-সিজনক আক্ৰমণ কৰি অহাৰ সময়তে লুৰীণজ্যোতি গগৈৰ ঘনিষ্ঠ চিত্তৰঞ্জন গগৈৰ ফটো ভাইৰেল হোৱাত স্বাভাৱিকতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে৷ চিত্তৰঞ্জন বসুমতাৰীৰ স্থিতিক লৈ একাংশ লোকে সন্দেহ ব্যক্তি কৰিছে৷ জানিব পৰা মতে, সৰ্বানন্দ সোণোৱাল আৰু চিত্তৰঞ্জন বসুমতাৰী একেলগে থকা ফটোখন পোষ্ট কৰিছে সৰ্বানন্দ সোণোৱালৰ ঘনিষ্ঠ বিকুল ডেকাই৷ ফটোখন বহু লোকে শ্বেয়াৰ কৰি চিত্তৰঞ্জন বসুমতাৰীৰ স্থিতিক লৈ প্ৰশ্ন তুলিছে৷ কিন্তু ততাতৈয়াকৈ চিত্তৰঞ্জন বসুমতাৰীয়ে স্পষ্টিকৰণ দিয়ে৷ চিত্তৰঞ্জন বসুমতাৰীয়ে ফেচবুকত এটা স্পষ্টিকৰণ দি কয় যে সৰ্বানন্দ সোণোৱালৰ অতিকৈ ঘনিষ্ঠ এইজনক ভালকৈ চিনি থওক ৰাইজ। ফটোখন তেওঁ নিজে মাতি তুলিছিল। কিমান নিকৃষ্ট মানসিকতা হ'লে ব্যক্তিগত সংযোগ বা সাক্ষাতক ৰাজনৈতিক ৰহন দিব পাৰে৷ তেঁও নাজানে লগ কৰাতো ৰাজনৈতিক নে অৰাজনৈতিক, ব্যক্তিগত নে ৰাজোহোৱা। কি কথা পাতিলো তাকো তেঁও নাজানে। কেই মাহমানৰ পূৰ্বে মই জোনাইৰ পৰা পাঁচিঘাটলৈ গৈছিলো৷ সেইদিনা সৰ্বানন্দ সোণোৱাল পাঁচিঘাটলৈ গৈছিল আৰু সৌজন্যতাৰ খাতিৰত মই তেখেতক লগ পালো। সোণোৱালৰ বিশ্বস্ত অনুগামী অন্ধভক্ত এজনে আমাৰ ফটো একপি উঠাব মন কৰিলে, মই আপত্তি নকৰিলো। কেইবামাহৰো অন্তত হঠাতে আজি সোণোৱালৰ সেই অন্ধভক্ত জনে ফটোখন ফেচবুকত দিছে৷ ব্যক্তিগত সংযোগ বা আকস্মিক সাক্ষাতক ৰাজনীতিৰ ৰহন সানিবলৈ কিমান নিকৃষ্ট মানসিকতাৰ গৰাকী হ'ব লাগিব। সৰ্বানন্দ সোণোৱালক মই সেইটো পৰ্যায়ৰ ব্যক্তি বুলি ভবা নাছিলো। সম্ভাব্য নিৰ্বাচনী ফলাফলক লৈ সোণোৱাল ইমানেই উদ্বিগ্ন নে, যে আকস্মিক আৰু ব্যক্তিগত সংযোগৰ ফটো এখনকো ৰাজনৈতিক হাথিয়াৰ হিচাপে ব্যৱহাৰ কৰিব লগা হ'ল! ভয় খাইছে। ভয় খোৱাতো খাবই৷

## শেষ পৃষ্ঠা


### আই পি এলৰ খবৰ

# দিল্লীৰ বিৰুদ্ধে ১০৬ ৰানত কলকাতাৰ জয়

**ই-সংবাদ, ৩এপ্ৰিলঃ** দিল্লী কেপিটেলছৰ বিৰুদ্ধে বিশাল ব্যৱধানত জয়লাভ কৰিছে ‘কিং খান’ৰ কলকাতা নাইট ৰাইডাৰ্ছে। বুধবাৰে নিশা অনুষ্ঠিত মেচখনত পোনতে কলকাতাই বেট ধৰি দিল্লীৰ সন্মুখত বান্ধি দিয়ে পৰ্বতসম ৰানৰ লক্ষ্য। মেচৰ আৰম্ভণিৰ পৰাই দিল্লীৰ বলাৰক প্ৰহাৰ কৰে নাইট ৰাইডাৰ্ছৰ বেটাৰে। অপেনিং বেটাৰ সুনীল নাৰিনে মাত্ৰ ৩৯টা বলত ৮৫ ৰান সংগ্ৰহ কৰে। তেঁওৰ এই মাৰমুখী ইনিংছটোত আছিল ৭টা বাউণ্ডেৰী আৰু সমসংখ্যক অ’ভাৰ বাউণ্ডেৰী। আনহাতে ৰঘুবংশী আৰু আন্দ্ৰে ৰাছেলে কৰে ক্ৰমে ৫৪ আৰু ৪১ ৰান। এক কথাত কলকাতাৰ সৰহসংখ্যক বেটাৰে অতি নিৰ্মমভাৱে প্ৰহাৰ কৰে দিল্লীৰ বলাৰক। কোনো এগৰাকী বলাৰে প্ৰতিপক্ষৰ বেটাৰক প্ৰত্যাহ্বান জনাব নোৱাৰৰ ফলতে কলকাতাই ২৭২ ৰানৰ বিশাল লক্ষ্য বান্ধি দিবলৈ সক্ষম হয়। ইফালে কলকাতাই বান্ধি দিয়া বিজয় লক্ষ্য অতিক্ৰম কৰিবলৈ গৈ আৰম্ভণিতে দিল্লীৰ বেটাৰ ৱাৰ্নাৰ আৰু পৃথ্বী শ্ব'ই মুখথেকেচা খায়। অ'পেনাৰদ্বয় ৱাৰ্নাৰ আৰু পৃথ্বীয়ে কৰে ক্ৰমে ১৮ আৰু ১০ ৰান।




সুনীল নাৰিনলৈ ‘প্লেয়াৰ অৱ দা মেচ’ৰ বঁটা




# টাইৱানত ৭.৪ প্ৰাবল্যৰ ভূমিকম্প





**টাইপে, ৩ এপ্ৰিলঃ** বুধবাৰে পুৱাই কপি উঠিল পূৱ এছিয়াৰ ক্ষুদ্ৰ ৰাষ্ট্ৰ টাইৱান। ৭.৪ প্ৰাবল্যৰ এক ভূমিকম্পই জোকাৰি গ'ল টাইৱান। ফলত টাইৱানৰ একাধিক অঞ্চলত বিস্তৰ ক্ষতিৰ খবৰ পোৱা গৈছে। ইতিমধ্যে সামাজিক মাধ্যমত ভাইৰেল হৈছে বিভিন্ন ভিডিঅ'। ভিডিঅ' সমূহত দেখা গৈছে টাইৱানৰ বহু অট্টালিকা হালি পৰিছে। এই ভূমিকম্পত এতিয়ালৈকে ৯ জন লোক নিহত হোৱাৰ খবৰ পোৱা গৈছে। পৰিস্থিতিলৈ লক্ষ্য ৰাখি আৰু বহু লোক হতাহতি হোৱাৰ অনুমান কৰা হৈছে। ইফালে এই ভূমিকম্পৰ পাছতে জাপানে চুনামিৰ সতৰ্কতা জাৰি কৰিছে। ইউনাইটেড ষ্টেটছ জিঅ'লজিকেল ছাৰ্ভেৰ মতে টাইৱানৰ স্থানীয় সময় অনুসৰি পুৱা ৮ বজাত আহে এই ভূমিকম্প। ভূমিকম্পৰ উৎপত্তিস্থল টাইৱানৰ দক্ষিণ হুৱালিয়েন চিটিৰ পৰা ১৮ কিলোমিটাৰ দূৰৰ ভূগৰ্ভৰ ৩৪.৮ কিলোমিটাৰ গভীৰত। এই ভূমিকম্পৰ ফলত সৰ্বাধিক ক্ষতি হৈছে টাইৱানৰ চহৰ অঞ্চলসমূহত। স্থানীয় সংবাদ সংস্থাৰ খবৰ মতে বহু ওখ ওখ অট্টালিকা হালি পৰিছে। টাইৱানৰ লোকসকলে ইতিমধ্যে সেই দৃশ্য সামাজিক মাধ্যমত শ্বেয়াৰ কৰিছে। ভূমিকম্পৰ ফলত জাপানৰ দক্ষিণৰ দ্বীপসমূহত চুনামিৰ সতৰ্কতা জাৰি কৰিছে। সমুদ্ৰপৃষ্ঠৰ পৰা তিনি মিটাৰ উচ্চতালৈ পানী উঠিব পাৰে বুলি জাপানৰ বতৰ বিজ্ঞান কেন্দ্ৰই সদৰি কৰিছে। তাৰ মাজতে বহু কেইটা দ্বীপৰ বাসিন্দাক সুৰক্ষিত স্থানলৈ স্থানান্তৰৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে।




newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান